স্থানত বাহ চকুপানী টুকাইছিল। সেই সময়ত বিলাতী বোৱাৰীগৰাকীক সান্ত্বনা দিছিল

চাকৰ হাউছ'ত থাকে। তেতিয়া নিজৰ পৰিয়ালৰ ঘৰখনলৈ প্ৰতিদিনেই অহা-যোৱা

বিলাতী মেমৰ লগত থাকি তেওঁ অসমীয়াত কথা পাতিবলৈ সুযোগ নাপায়। ওচৰৰ

সামৰিলো।

ফোন : ৯৯৫৪০৩৮৭০৪

# ৰেগিং : ইমানদিনে কি কৰি আছিল ?

কুশল কুমাৰ দাস

**ৰেগিঙৰ** সমস্যা পোহৰলৈ আহিলে শিক্ষানুষ্ঠানসমূহে তৎপৰতা দেখুওৱা নিয়মত পৰিণত হৈছে। যোৱা কিছুদিন ধৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ত ৰেগিংজনিত অপ্ৰীতিকৰ অৱস্থা এটাই সকলোকে চিন্তিত কৰা স্বাভাৱিক। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পিএনজিবি ছাত্ৰাবাসত ৰেগিঙৰ বলি হোৱা আনন্দ শৰ্মা নামৰ ছাত্ৰজনৰ পাছতে কে'বাজনো ভুক্তভোগী শিক্ষাৰ্থীৰ কথা বিভিন্ন মাধ্যমত ওলাইছে। তেওঁলোকে অধিক বিপদৰ মুখামুখি নহ'বৰ বাবেই মুখ খোলা নাছিল। যোৰহাটৰ ন-জানখনাৰ আকাশজ্যোতি দাস বৰ্তমানেও ৰেগিঙৰ বলি হৈ ঘৰতে চিকিৎসাধীন হৈ আছে। এনে ঘটনাবোৰ ঘটিয়ে আছে; প্ৰতিকাৰৰ ব্যৱস্থা থকাৰ পাছতো শিক্ষানুষ্ঠানসমূহে পদক্ষেপ নোলোৱাটোহে আচৰিত কথা। আনকি উক্ত ঘটনাৰ পাছতে অধিক তৎপৰতাৰে অসম চিকিৎসা মহাবিদ্যালয়ৰ অধীক্ষকে দুজন ছাত্ৰক আৱাসৰ পৰা তৎকালীনভাবে বৰ্খাস্ত কৰাৰ বাতৰিও প্ৰকাশ পাইছে। চোৰ যোৱাৰ পাছত লোৱা তাৎক্ষণিক ব্যৱস্থাবোৰে মাৰাত্মক ব্যাধি নাশ কৰিব পাৰিব জানো? ৰোগ উপশমৰ ব্যৱস্থা থকাৰ পাছতো শিক্ষানুষ্ঠানসমূহে প্ৰায়ে এনে ...স্যাক গুৰুত্বহীন আচৰণ কৰাৰ ফলতে ধাৰাবাহিক ৰূপত অমানুষিক ৰেগিং কাণ্ড হৈয়ে আছে। অসমৰ বেছিভাগ চৰকাৰী শিক্ষানুষ্ঠানৰ শিক্ষাৰ্থীৰ আৱাসসমূহৰ ভিতৰ চ'ৰাৰ খবৰক উৰ্ধ্বতন কৰ্তৃপক্ষই বিশেষ গুৰুত্ব নিদিয়াটো শেহতীয়া ঘটনাৰাজিৰ পৰা জলজল-পটপট হৈ ওলাই পৰিছে। শিক্ষানুষ্ঠানৰ পৰা ৰেগিং আঁতৰি নোযোৱাৰ কাৰণসমূহ চিনাক্ত কৰিব নোৱাৰাটোৱে কৰ্তৃপক্ষৰ প্ৰধান দুৰ্বলতা। ৰেগিঙৰ মূল কাৰণৰ উৎস হ'ল জ্যেষ্ঠ আৰু কনিষ্ঠৰ সংঘাত। এনে সংঘাত আঁতৰ কৰাৰ এটা সহজ উপায় অৱলম্বন কৰিব পাৰে। সেয়া হ'ল আৱাসসমূহত একেটা যাণ্মাসিকৰ শিক্ষাৰ্থী থকাৰ ব্যৱস্থা কৰা। নতুন নামভৰ্তি হোৱা শিক্ষাৰ্থীয়ে প্ৰথম যিটো আৱাসত সোমাব শিক্ষা শেষ নোহোৱালৈকে সেই আৱাসতে থাকিব লাগিব। তেনে আৱাসত আন বৰ্ষৰ শিক্ষাৰ্থীৰ প্ৰৱেশ নিষিদ্ধ কৰিব লাগে। প্ৰতিটো আৱাস মাত্ৰ এটা বৰ্ষৰ শিক্ষাৰ্থীৰ বাবে ব্যৱস্থা কৰিলে নিশ্চয় জ্যেষ্ঠসকলে নতুনসকলৰ লগত চিনাকি হোৱাৰ নামত পাশৱিক অত্যাচাৰ কৰিব নোৱাৰিব। পিএনজিবি ছাত্ৰাৱাসৰ বাদেও আন সকলো শিক্ষানুষ্ঠানৰ আৱাসত যোৱা দুটা দশকত সংঘটিত ৰেগিং সম্বন্ধীয় অনুসন্ধান কৰিলে ৰেগিং মাষ্টাৰসকল ওলাই পৰিব। তেনে বাঘা বাঘাসকলৰ নামবোৰ ৰাজহুৱা কৰিব লাগে। দুই-এজন তেনে শিক্ষানুষ্ঠানতে কৰ্মৰত হৈ থকাও ওলাব পাৰে! আনকি আৱাসৰ তত্ত্বাবধায়কৰ ৰূপতো দেখা যাব পাৰে! ভাৰতবৰ্ষৰ বিভিন্ন শিক্ষানুষ্ঠানত চলি অহা ৰেগিঙৰ ঘটনাসমূহে শিক্ষা গ্ৰহণ প্ৰক্ৰিয়া ভয়াবহ কৰি তুলিছে। দিল্লী বিশ্ববিদ্যালয়ত যোৱা ১০ বছৰত ৰেগিং প্ৰায় নোহোৱাৰ দৰে হৈছে; কাৰণ ৰেগিং কঠোৰভাবে নিষিদ্ধ কৰা হৈছে আৰু জ্যেষ্ঠ শিক্ষাৰ্থীয়ে নৱাগত কনিষ্ঠসকলক আদৰণি জনোৱাৰ ব্যৱস্থা। তদুপৰি নামভৰ্তিৰ বাবে প্ৰয়োজন হোৱা উচ্চ হাৰৰ নম্বৰ ব্যৱস্থা। বহু শিক্ষাৰ্থীয়ে দিল্লী বিশ্ববিদ্যালয়ৰ ৰেগিং নোহোৱাৰ ক্ষেত্ৰত মেধা, ৰেগিং নিষিদ্ধৰ বাবে কঠোৰ ব্যৱস্থা আৰু জ্যেষ্ঠসকলৰ সুস্থ মানসিকতাই এই ব্যাধিক আঁতৰাই ৰাখিছে বুলি উল্লেখ কৰিছে। ২০১৪ত তুষাৰ যাদৱ নামৰ ছাত্ৰ এজনৰ গুৱাহাটীৰ আই আই টিত ৰেগিঙৰ ফলতে মৃত্যু হৈছিল। এনেধৰণৰ কে'বাটাও হৃদয় বিদাৰক ঘটনা ৰেগিঙৰ ফলতে সংঘটিত হৈছিল। সকলো ৰেগিঙৰ ঘটনাৰ লগত জড়িত থাকে জ্যেষ্ঠ শিক্ষাৰ্থী। গতিকে শিক্ষানুষ্ঠানসমূহৰ আৱাসমূহত একেটা বৰ্ষৰ শিক্ষাৰ্থী থকাৰ ব্যৱস্থা কৰাটো নিশ্চয় ফলপ্ৰসূ হ'ব পাৰে। মহাবিদ্যালয় বা বিশ্ববিদ্যালয়ৰ আৱাসসমূহত নিচাজাতীয় দ্ৰব্যৰ ব্যৱহাৰ সম্পূৰ্ণ নিষিদ্ধ কৰা দৰকাৰ। বেছিভাগ জ্যেষ্ঠ শিক্ষাৰ্থীয়ে কনিষ্ঠসকলক নিচাজাতীয় দ্ৰব্য যোগানৰ নামত হাৰাশাস্তি কৰে। সহজলভ্য নিচাজাতীয় দ্ৰব্যত আক্ৰান্ত শিক্ষাৰ্থীয়ে আৱাসৰ পৰিবেশ নষ্ট কৰিছে। নিচা আৰু দেহৰ শক্তিয়ে বিসংগতিমূলক কাম-কাজত উদ্‌গনি দিয়ে। কনিষ্ঠসকলৰ শাৰীৰিক আৰু মানসিক বিসংগতি সৃষ্টি কৰা এনে বয়সৰ শিক্ষাৰ্থীৰ স্বভাৱসুলভ বৈশিষ্ট্য। প্ৰতিখন শিক্ষানুষ্ঠানতে বিশ্ববিদ্যালয় অনুদান আয়োগৰ বিধিমতে ৰেগিং বিৰোধী কোষ গঠন কৰা বাধ্যতামূলক যদিও কাৰ্যকৰী ৰূপত নিৰীক্ষণ ভালকৈ কেতিয়াবাহে হয়। প্ৰাক্তন শিক্ষাৰ্থীক আৱাসত থাকিবলৈ দিয়া বন্ধ কৰাটো অতি জৰুৰী। এনে প্ৰাক্তন শিক্ষাৰ্থীয়ে মাতব্বৰী ভূমিকাৰে নিজৰ আধিপত্য খটুৱাই থকাৰ ফলত আৱাসবোৰৰ গৰিমা লাঘৱ হয়। তদুপৰি পাবত গজা, সস্তীয়া দেশপ্ৰেমৰ ভাও দি জীৱিকা নিৰ্বাহ কৰি থকা সংগঠনৰ নেতা-পালিনেতাৰ আড্ডাস্থলীৰ পৰা আৱাসসমূহ মুক্ত কৰি ৰখাটো শিক্ষানুষ্ঠানৰ কৰ্তৃপক্ষৰ প্ৰধান দায়িত্ব আছে। শিক্ষানুষ্ঠানৰ মুৰব্বীয়ে কঠোৰ হাতেৰে এনে প্ৰাক্তন শিক্ষাৰ্থী তথা মাতব্বৰী নেতাক স্থায়ীভাবে থকাটো নিষিদ্ধ কৰিব লাগে। শিক্ষানুষ্ঠানৰ লগত জড়িত বিশেষ কামত অহা প্ৰাক্তন আৱাসীক এদিন বা দুদিনৰ বাবে থাকিবলৈ দিয়া সুকীয়া কথা কিন্তু গুৰু গোসাই নমনা প্ৰাক্তন আৱাসীক চিনাক্ত কৰা আৰু আৱাসত থকা সময়ৰ ইতিহাস জানি-বুজি ব্যৱস্থা লোৱা দৰকাৰ। ২০১৭ৰ অধ্যয়নৰ এক ইন্টাৰনেট ডাটামতে ভাৰতবৰ্ষৰ ৪০ শতাংশ শিক্ষাৰ্থীয়ে ৰেগিং নামৰ বৰবিহৰ বলি হ'ব লগা হয়। ইয়াৰে বেছি সংখ্যক শিক্ষাৰ্থী চিকিৎসা আৰু অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ। স্বাধীনতা লাভৰ পূৰ্বৰ পৰা ভাৰতবৰ্ষত ইংৰাজ আৰু আৰ্মিৰ কলেজবোৰত ৰেগিং ধেমালি ৰূপত প্ৰচলন আছিল। ১৯৬০মানলৈ ভাৰতবৰ্ষত ৰেগিঙে হিংসাত্মক ৰূপ লাভ কৰা নাছিল। ১৯৮০ মানৰ পৰা ৰেগিঙে হিংসাত্মক ৰূপ ল'বলৈ ধৰে; শিক্ষাৰ্থীৰ মাজত এনে মনোবৃত্তিয়ে প্ৰভুত্ব বিস্তাৰ কৰিবলৈ ধৰে। ৮০ৰ দশকত ৰেগিঙে ভাৰতবৰ্ষৰ বিভিন্ন শিক্ষানুষ্ঠানত ভয়াবহ ৰূপ ধাৰণ কৰে। সেই সময়তে ভাৰতবৰ্ষত ব্যক্তিগত খণ্ডত চিকিৎসা আৰু অভিযান্ত্ৰিক মহাবিদ্যালয় প্ৰথমবাৰৰ বাবে প্ৰতিষ্ঠা হয়। ইয়াৰ পাছতে দাক্ষিণাত্যৰ বিভিন্ন শিক্ষানুষ্ঠানত ৰেগিঙে ভয়াবহ ৰূপ ধাৰণ কৰিবলৈ ধৰে। ৰেগিঙৰ প্ৰকোপত থাকিব নোৱাৰি বহু শিক্ষাৰ্থীয়ে পঢ়া আধাতে সামৰে, কোনো কোনোৱে মানসিক আৰু শাৰীৰিকভাবে ঘুণীয়া হোৱাৰ বিপৰিতে কিছুমানে আত্মহত্যাৰ পথ লয়। ১৯৯০ মানৰ পৰা ৰেগিঙে সংক্ৰামক ব্যাধিৰ দৰে চৰকাৰী আৰু বেচৰকাৰী শিক্ষানুষ্ঠানত ভয়ংকৰ ৰূপ ধাৰণ কৰে। ১৯৯৭ত তামিলনাডুত সবাতোকৈ বেছি ৰেগিং সংক্ৰান্তীয় ঘটনা সংঘটিত হৈছিল। ইয়াৰ ফলতে তামিলনাডু চৰকাৰে প্ৰথমবাৰৰ বাবে ৰেগিং নিষিদ্ধ ঘোষণা কৰে। ২০০১ত উচ্চতম ন্যায়ালয়ে সমগ্ৰ ভৰতবৰ্ষত ৰেগিং নিষিদ্ধ ঘোষণা কৰাৰ পাছতো ৰেগিং সংক্ৰান্তীয় ঘটনা বন্ধ নহ'ল বৰঞ্চ হিমাচল প্ৰদেশৰ ধৰমশালা চিকিৎসা মহাবিদ্যালয়ৰ ছাত্ৰ অমন কাৰ্শুৰ ৰেগিঙৰ ফলত মৃত্যু হয়; উচ্চতম ন্যায়ালয়ে ২০০৯ত ভাৰতবৰ্ষৰ সকলো শিক্ষানুষ্ঠানৰ বাবে ৰেগিং প্ৰতিৰোধী আইন বলবৎ কৰে। এই আইন মতে ৰেগিঙৰ বাবে কোনো শিক্ষাৰ্থী যদিহে দোষী সাব্যস্ত হয়, তেনেহ'লে তিনি বছৰ কাৰাবাস খাটিব লাগিব। যদি এনে আইন মানি চলাৰ ক্ষেত্ৰত কোনো শিক্ষানুষ্ঠানে গুৰুত্ব নিদিয়ে বা সমস্যাৰ প্ৰতি আওকণীয়া হৈ চলে, তেতিয়া আইনী ব্যৱস্থা লোৱাৰ কথা ঘোষণা কৰে। বিশ্ববিদ্যালয় অনুদান আয়োগে আনকি কঠোৰভাবে শিক্ষাৰ্থীৰ সাজপাৰ, ঠাট্টা-বিদ্ৰূপ কিম্বা ব্যক্তিগত দিশক লৈ আত্ম-সন্মানত আঘাত দিয়া অভিযোগ উঠে, তেনেহ'লে সেয়াও ৰেগিং বুলি অভিহিত কৰে। আঞ্চলিক, ভাষা, জাতিক লৈ কৰা তুচ্ছ-তাচ্ছিল্যকো ৰেগিং বুলি ধৰা হয়। আচলতে ৰেগিঙৰ অন্তৰালত লুকাই থাকে মুষ্টিমেয় জ্যেষ্ঠ শিক্ষাৰ্থীৰ কনিষ্ঠৰ ওপৰত কৰা প্ৰভুত্ববাদী মানসিকতা। গতিকে ৰেগিং বন্ধ কৰিবলৈ হ'লে আৱাসসমূহত জ্যেষ্ঠ কনিষ্ঠক বেলেগ বেলেগকৈ ৰখাৰ ব্যৱস্থা কৰিব লাগিব; নহ'লে অনাগত দিনত শিক্ষাৰ্থীৰ বাবে ৰেগিং ভয়াবহ ভাইৰাছ হ'ব।




*লেখক সহযোগী অধ্যাপক, যোৰহাট মহাবিদ্যালয়*
*ফোন : ৯১০১১২২৬৩৮*